**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-05-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। জ্যেষ্ঠ বিজেপি নেতা চন্দ্ৰমোহন পাটোৱাৰীৰ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ দখলিকৃত সত্ৰসমূহ পুনৰ উদ্ধাৰৰ বাবে সত্ৰ আয়োগে পূৰ্বৰ দৰে কাম কৰি যাব বুলি প্ৰকাশ

৩। ২১ জুনত পুনৰ চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

———জ্যেষ্ঠ বিজেপি নেতা তথা নৱনিৰ্বাচিত বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত শ্ৰী পাটোৱাৰীক শপতবাক্য পাঠ কৰোৱায়। ৰাজ্যপালে কালি বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক যোড়শ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। স্থায়ী অধ্যক্ষ নিৰ্বাচিত নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ পৰিচালনা কৰিব। উল্লেখযোগ্য যে অহা ২১ মে'ত আৰম্ভ হ'বলগীয়া যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষগৰাকীয়ে নৱনিৰ্বাচিত বিধায়কসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ইয়াৰ পাছতে বিধানসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন কৰা হ'ব। শাসকীয় বিজেপিয়ে বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ হিচাপে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসক মনোনীত কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ দখলিকৃত সত্ৰসমূহ পুনৰ উদ্ধাৰৰ বাবে সত্ৰ আয়োগে পূৰ্বৰ দৰে কাম কৰি যাব বুলি প্ৰকাশ কৰিছে। দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থান পৰিদৰ্শন কৰি ড° শৰ্মাই আজি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে থানখনক ধৰ্মীয় ঐতিহ্যবাহী স্থানলৈ ৰূপান্তৰিত কৰাৰ বাবে চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কল্পনা কৰা অসম গঢ়াৰ বাবে কাম কৰি যাব বুলি ড° শৰ্মাই মন্তব্য কৰে।

(বাইট)

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা, NEET পুনৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। সংস্থাটোৱে

পৰীক্ষাৰ্থীসকলক কেৱল এন টি এৰ দ্বাৰা প্ৰকাশিত তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে যোৱা ৩ মে'ত প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে NEET বাতিল কৰা হৈছিল।

NEETৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি সন্ধিয়া কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ বাসগৃহত উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত উচ্চশিক্ষা বিভাগৰ সচিব, বিদ্যালয় শিক্ষা বিভাগৰ সচিব, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধান, চি বি এছ ইৰ অধ্যক্ষ আৰু কেন্দ্ৰীয় বিদ্যালয় সংগঠন আৰু নৱোদয় বিদ্যালয়ৰ আয়ুক্তৰ লগতে অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

0000000

নিৰ্বাচন আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্যসহ দেশৰ মুঠ ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত পৰ্যায়ক্ৰমে এছ আই আৰ অৰ্থাৎ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন তৃতীয় পৰ্যায় আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে। এই পৰ্যায়ত অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড, হাৰিয়ানা, পঞ্জাব, উত্তৰাখণ্ড, তেলেংগানা, কৰ্ণাটক, দিল্লী, চণ্ডীগড়, দাদৰা নগৰ হাৱেলী আৰু দমন – ডিউক সামৰি লোৱা হ'ব। ৩০ মে'ত আৰম্ভ হ'বলগীয়া এই পৰ্যায়ত ৩ লাখ ৯৪ হাজাৰতকৈ অধিক বুথ পৰ্যায়ৰ বিষয়াই ৩৬ কোটি ৭৩ লাখ ভোটদাতাৰ ঘৰে ঘৰে যাব। তিনি লাখ ৪২ হাজাৰ গৰাকী বুথ পৰ্যায়ৰ এজেণ্টে বিষয়াসকলক সহায় কৰিব। নিৰ্বাচন আয়োগে কালি এটা বিবৃতিৰ জৰিয়তে কয়, যে বৰফাবৃত্ত হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু লাডাখৰ বতৰৰ অৱস্থালৈ চাই এই অঞ্চলসমূহৰ বাবে এছ আই আৰৰ সময়সূচী পাছত প্ৰকাশ কৰা হ'ব। এছ আই আৰৰ অন্তত ৬ ছেপ্তেম্বৰত ছিকিম, মিজোৰাম, মণিপুৰ আৰু ওড়িশাৰ ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ৭ অক্টোবৰত দিল্লী, কৰ্ণাটক, মেঘালয়, মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। ২৩ ডিচেম্বৰত ত্ৰিপুৰাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশেৰে এই পৰ্যায়ৰ সামৰণি পৰিব। সমগ্ৰ দেশতে ভোটদাতাৰ সঠিক আৰু শেহতীয়া তথ্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়া হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

0000000

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি আজি গুৱাহাটী উচ্চ ন্যায়ালয়ত সম্পন্ন হয়। আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে আৰক্ষীক তদন্তৰ সবিশেষ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ২২ মে'ত বিষয়টোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিছিল।

000000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি প্ৰচাৰনে ৬৯ বছৰ পূৰ্ণ কৰি আজি ৭০ বছৰত পদাৰ্পণ কৰিছে। ১৯৫৭ চনৰ আজিৰ দিনটোতেই প্ৰথমবাৰৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰযোগে আঞ্চলিক বাতৰি প্ৰচাৰ হৈছিল। আঞ্চলিক বাতৰি প্ৰচাৰৰ ৬৯ বছৰ জোৰা অবিৰত প্ৰক্ৰিয়াত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অসমৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ শ্ৰোতাক সামৰি লৈছে। বৰ্তমান তথ্য

প্ৰযুক্তি আৰু বা-বাতৰিৰ অনেক উৎসৰ সময়তো আকাশবাণীৰ বাতৰিৰ প্ৰতি শ্ৰোতাৰ অনুৰাগ আছে। শ্ৰোতাসকলৰ বাবে আকাশবাণীৰ আঞ্চলিক বাতৰি বিশ্বাসযোগ্য, তথ্যনিৰ্ভৰ, নিৰপেক্ষ বুলি বিবেচিত হৈ আহিছে। সময়ৰ লগত সংগতি ৰাখি বিভাগটোৱে দৈনিক কেইবাখনো আঞ্চলিক বাতৰি বুলেটিন প্ৰচাৰ কৰি আহিছে।

বৰ্তমান বিভাগটোৱে দৈনিক কেইবাখনো বাতৰি বুলেটিন পৰিবেশনৰ লগতে সময়ৰ লগত খোজ মিলাই বিভিন্ন সামাজিক মাধ্যমযোগেও আঞ্চলিক বাতৰিৰ প্ৰচাৰ কৰি আহিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বৰ্তমান ইউটিউব চেনেল AIR News Guwahati আৰু News on AIRৰ লগতে এক্স হেণ্ডেলতো শুনিবলৈ পোৱা যায়।

0000000

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত  অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰজ্জাক ভূঞা আৰু অধিবক্তা জ্যোতিস্মিতা শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অৰূপ কুমাৰ শৰ্মাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

0000000

ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে পুনৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে তৎপৰতা চলাইছে। সেই অনুসৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰি নিম্ন আৰু উচ্চ প্ৰাথমিকৰ খালী হৈ থকা শিক্ষক পদৰ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অহা ৩০ মে' বা তাৰ পূৰ্বে খালী শিক্ষক পদৰ তথ্যসমূহ নিৰ্দিষ্ট প'ৰ্টেলত দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে, প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২৫ চনত ৫হাজাৰ ৫৫০ টা আৰু ২০২৬ চনত ৪হাজাৰ ৫০০ টা প্ৰাথমিক শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকালক সুৰঞ্জনা সেনাপতিয়ে ৰাজ্যৰ সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ এই উদ্দেশ্যে পত্ৰ প্ৰেৰণ কৰিছে।

000000000

পেট্ৰ'ল-ডিজেলৰ ব্যয় কৰ্তন কৰিবলৈ প্ৰধানমন্ত্ৰী মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বান প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ কনভয়ৰ বাহনৰ সংখ্যা হ্ৰাস কৰিছে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি দেখা দিয়া তেল আৰু ইন্ধনৰ সংকটৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু অন্যান্য ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ কনভয়ৰ সংখ্যা হ্ৰাস কৰা পৰিলক্ষিত হৈছে।

ইপিনে, বৰ্ধিত উত্তেজনাৰ মাজতে তেল কোম্পানীসমূহে পেট্ৰ'ল আৰু ডিজেলৰ প্ৰতি লিটাৰত তিনি টকাকৈ মূল্য বৃদ্ধি কৰিছে। এই অনুসৰি গুৱাহাটীত পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত ১০১ টকা ২৬ পইচা আৰু ডিজেলৰ মূল্য ৯২ টকা ৫৫ পইচালৈ বৃদ্ধি হৈছে। নতুন দিল্লীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ৯৭ টকা ৭৭ পইচালৈ আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত ৯০ টকা ৬৭ পইচালৈ বৃদ্ধি পাইছে। কলকাতাত পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত ১০৮ টকা ৭৪ পইচালৈ আৰু ডিজেলৰ মূল্য ৯৩ টকা ১৪ পইচালৈ বৃদ্ধি পাইছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ বাবে অহা ২৫ মে'ৰ পৰা জীপ ছাফাৰী বন্ধ থাকিব। প্ৰতিকূল বতৰ আৰু উদ্যানৰ ভিতৰৰ ক্ষেত্ৰসমূহৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পূব অসম বন্য প্ৰাণী সংমণ্ডলৰ বিভাগীয় বন বিষয়াই কালি জাৰি কৰা জাননী অনুসৰি পৰ্যটকৰ সুৰক্ষাৰ স্বাৰ্থত অহা ২৫ মে'ৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা, অগৰাতলী, বাগৰি, বুঢ়াপাহাৰ বনাঞ্চল ক্ষেত্ৰ পৰ্যটকৰ বাবে বন্ধ থাকিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়াৰ চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**